# প্ৰাকৃতিক সম্পদ

## TEXTUAL QUESTIONS AND ANSWERS

**প্ৰশ্ন ১: প্ৰাকৃতিক সম্পদ বুলিলে কি বুজা ?**

**উত্তৰঃ** প্ৰাকৃতিক সম্পদ বুলিলে প্ৰকৃতিৰ পৰা পোৱা সম্পদ সমূহক বুজায় । কিছুমান প্ৰাকৃতিক সামগ্ৰী মানুহে বিজ্ঞান প্ৰযুক্তি বা কৌশলৰ দ্বাৰা মানুহৰ প্ৰয়োজন পূৰণ কৰিবলৈ ব্যৱহাৰৰ উপযোগী কৰি তোলে ।

**প্ৰশ্ন ২: সম্পদৰ প্ৰধান বৈশিষ্ট্য দুটা কি কি ?**

**উত্তৰঃ** সম্পদৰ প্ৰধান বৈশিষ্ট্য দুটা হ’ল—

( ক ) ইয়াৰ উপযোগিতা থাকিব লাগিব । আৰু

( খ ) ইয়াৰ কাৰ্যকৰণ ক্ষমতা থাকিব লাগিব ।

**প্ৰশ্ন ৩: সম্পদৰ শ্ৰেণী বিভাজন কৰা ।**

**উত্তৰঃ** সম্পদসমূহক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰিঃ

১। প্ৰাকৃতিক সম্পদ ।

২। মানৱ – সৃষ্ট সম্পদ । আৰু

৩। মানৱ সম্পদ

**প্ৰশ্ন ৪: ব্যৱহাৰযোগ্য ভূমি সম্পদৰ চাহিদা দিনক দিনে কিয় বাঢ়িছে ?**

**উত্তৰঃ** জনসংখ্যাৰ দ্ৰুতহাৰত বৃদ্ধি পোৱাৰ লগে লগে মাটিৰ চাহিদাও দ্ৰুত হাৰত বাঢ়িছে । বৰ্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰিবলৈ কৃষিভূমি দখল কৰি ব্যৱসায় বাণিজ্য , ঘৰ – দুৱাৰ নিৰ্মাণ , উদ্যোগ আদি স্থাপন কৰিবলৈ লৈছে । আনহাতে খাদ্য শস্যৰ বৰ্দ্ধিত

চাহিদা পূৰণ কৰিবলৈ অৰণ্য ধ্বংস কৰি কৃষি ভুমিৰ প্ৰসাৰণ ঘটাইছে। এনেবাোৰ কাৰণতেই ব্যৱহাৰযাোগ্য ভূমি সম্পদৰ চাহিদা দিনক দিনে বাঢ়িছে।

**প্ৰশ্ন ৫: ভূমি সম্পদৰ প্ৰধান সমস্যাসমূহ কি কি ?**

**উত্তৰঃ** ভূমি সম্পদৰ প্ৰধান সমস্যাসমূহ হ'ল –

১। ভূমিৰ অৱক্ষয়।

২। ভূমি স্থখলন।

৩। মাটিৰ ক্ষয়ীভৱন।

৪।গৰাখহনীয়া।

৫। মৰুকৰণ। আৰু

৬। ভূমি প্ৰদূষণ।

**প্ৰশ্ন ৬: কি কি কাৰণত ভূমিৰ অৱক্ষয় হয় ?**

**উত্তৰঃ** অপৰিকল্পিত কৃষিকাৰ্য , চৰণীয়া পথাৰৰ অত্যধিক ব্যৱহাৰ , অৰণ্য ধ্বংস , নগৰীকৰণ , ঔদ্যোগীকৰণ আদিৰ ফলত মাটিৰ অৱক্ষয় হয়। কৃষিভূমিত অত্যধিক বায়াসনিক দ্ৰব্যৰ ব্যৱহাৰ , ইটাৰ ভাটা আদি গঢ়ি উঠাৰ ফলতাে ভুমিৰ অৱক্ষয় হয়।

**প্ৰশ্ন ৭: ভূমি সংৰক্ষণৰ বাবে কেনেধৰণৰ ব্যৱস্থা ল'ব পাৰি ?**

**উত্তৰঃ** ভূমি সংৰক্ষণৰ বাবে তলত উল্লেখিত ব্যৱস্থা সমূহ অধিক ফলপ্ৰসু হ'ব বুলি ক'ব পাৰি।

১। ব্যাপক হাৰত বৃক্ষৰাোপণ কৰা।

২। কৃষি কাৰ্যত ৰাসায়নিক সাৰৰ সলনি জৈৱিক সাৰ প্ৰয়াোগ কৰা।

৩। পাহাৰীয়া অঞ্চলত ঝুমখেতিৰ পৰিৱৰ্তে বেদিকা কৃষি ব্যৱস্থা প্ৰচলন কৰা।

৪। চৰণীয়া পথাৰৰ ওপৰ অংশৰ মাটি সুৰক্ষিত কৰা ।

৫। গছ – গছনি কটা , মাটি খন্দা আদি মানুহৰ অবাঞ্ছিত কাৰ্য ৰাে ধ কৰা । আৰু

৬। কয়লা , খাৰুৱা তেল আদিৰ খনন কাৰ্যত বিজ্ঞান সন্মত পদ্ধতি ব্যৱহাৰ কৰা ।

**প্ৰশ্ন ৮: চমুটোকা লিখাঃ**

**১। ভূমিস্খলন ।**

**উত্তৰঃ** নানা প্ৰাকৃতিক কাৰণত পাহাৰীয়া অঞ্চলত সাধাৰণতে ভূমিস্খলন হয় । ধাৰাসাৰ বৰষুণ , ভূমিকম্প আদিৰ ফলত ভূ – খণ্ড তললৈ খহি পৰাকে ভূমিস্খলন বাে লে । গছ – গছনি কাটি পাহাৰীয়া , অঞ্চলত ঘৰ – দুৱাৰ নিৰ্মাণ কৰিবলৈ লাে ৱাৰ ফলত ভূমিস্খলনৰ মাত্ৰা অধিক হৈছে ।

**২। গৰাখহনীয়া ।**

**উত্তৰঃ** নদীৰ পাৰৰ মাটি খহি পৰাকে গৰাখহনীয়া বাে লা হয় । সাধাৰণতে বানপানীৰ পাছত গৰাখহনীয়াৰ মাত্ৰা বৃদ্ধি পায় । গৰাখহনীয়াৰ ফলত ঘৰ – দুৱাৰ , খেতি – পথাৰ আদি নদীৰ বুকুত জাহ যায় ।

**৩। মৰুকৰণ ।**

**উত্তৰঃ** মৰুভূমি সদৃশ অৱস্থাৰ প্ৰসাৰণকেই মৰুকৰণ বুলি কোৱা হয় । সাধাৰণতে মৰুভূমিৰ কাষৰীয়া অঞ্চলত মানুহৰ ধ্বংসাত্মক কাৰ্যকলাপ আৰু জলবায়ুৰ পৰিবৰ্তনৰ ফলতে মৰু অঞ্চলৰ প্ৰসাৰ ঘটা দেখা যায় ।

**৪। ভূমি প্ৰদূষণ ।**

**উত্তৰঃ** নানা ধৰণৰ মানৱ – সৃষ্ট কাৰকৰ দ্বাৰা ভূমি প্ৰদূষণ হয় । ভূমিৰ ওপৰত নিৰ্মাণ কৰা কল – কাৰখানা , বাসগৃহ , কৃত্ৰিম কৃষি পদ্ধতি আদি ভূমি প্ৰদূষণৰ কাৰক । আনহাতে কৃষি কাৰ্যত অধিক ৰাসায়নিক পদাৰ্থৰ ব্যৱহাৰৰ ফলতাে ভুমি প্ৰদূষিত হয় ।

**প্ৰশ্ন ৯: পৃথিৱীত ব্যৱহাৰযাে গ্য নিৰ্মল পানীৰ অভাৱ হাে ৱাৰ কাৰণ কি ?**

**উত্তৰঃ** পৃথিৱীৰ উপৰিভাগৰ সৰহভাগ ঠাই পানীৰে আৱৰি আছে যদিও বেছি ভাগ পানীয়েই লুণীয়া । নিৰ্মল পানীৰ পৰিমাণ মাত্ৰ ২.৫ শতাংশ । ইয়াৰে ১ শতাশ পানীহে মানুহে ব্যৱহাৰ কৰিব পাৰে । আনহাতে ব্যৱহাৰ যোগ্য পানীৰো অধিকাংশই বৰফ , জলীয় বাষ্প আকাৰত থাকে । আনহাতে পানীৰ মাত্ৰাধিক ব্যৱহাৰ আৰু পানীত হোৱা প্ৰদূষণৰ ফলতো নিৰ্মল পানীৰ অভাৱ ঘটিছে । সেয়ে পৃথিৱীত ব্যৱহাৰযোগ্য নিৰ্মল পানীৰ অভাৱ আছে ।

**প্ৰশ্ন ১০: পানী প্ৰদূষণৰ প্ৰধান কাৰণসমূহ কি কি ?**

**উত্তৰঃ** সাধাৰণতে কৃষি কাৰ্যত ব্যৱহৃত ৰাসায়নিক পদাৰ্থ পানীত মিহলি হোৱাৰ ফলত পানী প্ৰদুষিত হয় ।

দ্বিতীয়তে কল – কাৰখানাৰ পৰা নিৰ্গত অপদ্ৰব্য আৰু আৱৰ্জনৰ দ্বাৰাও পানী বহু পৰিমাণে প্ৰদূষিত হয় ।

**প্ৰশ্ন ১১: পানী প্ৰদূষণ ৰোধ কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'ব পাৰি ?**

**উত্তৰঃ** পানী প্ৰদূষণ ৰোধ কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'ব পাৰি তলত আলোচনা কৰা হ'ল –

১। পানীত অপ্ৰয়োজনীয় জাৱৰ – জোঁথৰ পেলোৱা বন্ধ কৰা ।

২। কৃষি কাৰ্যত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰৰ পৰিবৰ্তে জৈৱিক পদাৰ্থ ব্যৱহাৰ কৰা । আৰু

৩। কল – কাৰখানাৰ অপদ্ৰব্যবোৰ বিজ্ঞান সম্মত পদ্ধতিৰে ধ্বংস কৰা।

**প্ৰশ্ন ১২: পানী সংৰক্ষণৰ বাবে কি কি ব্যৱস্থা হাতত ল'ব পাৰি ?**

**উত্তৰঃ** পানী সংৰক্ষণৰ বাবে ল'ব পৰা কেইটামান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল –

১। পানী প্ৰদূষণ ৰোধ কৰা ।

২। বৃক্ষৰোপণ কৰি ভূ – জলৰ পৰিমাণ বৃদ্ধি কৰা।

৩। জলসিঞ্চনত পানীৰ অপচয় ৰোধ কৰা ।

৪। পাহাৰীয়া অঞ্চলত বেদিকা কৃষিৰ জৰিয়তে পাহাৰৰ ঢালত পানী সংৰক্ষণৰ ব্যৱস্থা কৰা ।

৫। পানীৰ পুনৰ চক্ৰায়ন কৰা ।

৬। পানীৰ ব্যৱহাৰ সম্পৰ্কে জন সচেতনতা বৃদ্ধি কৰা । আৰু

৭। পানী সংৰক্ষণ বিষয়ক আইন প্ৰণয়ন কৰা ।

**প্ৰশ্ন ১৩: বনজ সম্পদ সংৰক্ষণ কৰিবলৈ কি কি ব্যৱস্থা ল’ব পাৰি ?**

**উত্তৰঃ** বনজ সম্পদ সংৰক্ষণৰ ব্যৱস্থা সমূহঃ

১। বনজ সম্পদ সংৰক্ষণৰ বাবে ৰাষ্ট্ৰীয় উদ্যান , অভয়াৰণ্য , চিৰিয়াখনা আদি স্থাপনৰ ব্যৱস্থা কৰা।

২। বিল , জলাহ ভূমি আদি সংৰক্ষণৰ ব্যৱস্থা কৰা।

৩। পতিত মাটিত ব্যাপক হাৰত বৃক্ষৰা োপণৰ ব্যৱস্থা কৰা ।

৪। বনজ সম্পদৰ সংৰক্ষণৰ বাবে জন সজাগতা বৃদ্ধি কৰা ।

৫। আইন প্ৰণয়ন কৰি বন ধ্বংস আৰু বন্য প্ৰাণী হত্যা বন্ধ কৰা ।

**প্ৰশ্ন ১৪: বনজ সম্পদ আমি কিয় সংৰক্ষণ কৰিব লাগে ?**

**উত্তৰঃ** বনজ সম্পদে প্ৰাকৃতিক পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰে । তদুপৰি বন্যপ্ৰাণীক আশ্ৰয় প্ৰদান কৰে , মাটি সংৰক্ষণত সহায় কৰে , ভুজল বৃদ্ধিত সহায় কৰে । আনহাতে বনাঞ্চলে গা োলকীয় উষ্ণতা ৰা োধত বিশেষ অৰিহণা যা োগায় । আনহাতে বনজ সম্পদৰ অন্তৰ্গত বিভিন্ন প্ৰাণী, কীট পতংগ আদিয়েও সুন্দৰ প্ৰাকৃতিক পৰিবেশ সৃষ্টিত অৰিহণা যা োগায় । সেয়ে আমি বনজ সম্পদ সংৰক্ষণ কৰিব লাগে ।

**প্ৰশ্ন ১৫: শক্তি সম্পদ মানে কি ?**

**উত্তৰঃ** যিবােৰ সম্পদে ঘৰুৱা , কৃষিক্ষেত্ৰ , উদ্যোগিক ক্ষেত্ৰ , যাতায়ত , যাােগাযাােগ , প্ৰতিৰক্ষা আদিত শক্তিৰ যাােগান ধৰে , তেনেবাােৰ সম্পদকে শক্তি সম্পদ বুলিব পাৰি । পৰম্পৰাগত আৰু অপৰম্পৰাগত – এই দুই ধৰণৰ শক্তি সম্পদ আছে ।

**প্ৰশ্ন ১৬: জীৱাশ্ম ইন্ধনসমূহ চিৰদিন একে পৰিমানে নথকাৰ কাৰণ কি ?**

**উত্তৰঃ** জীৱাশ্ম ইন্ধনসমূহ পৃথিৱীৰ অন্তৰ্ভাগত সীমিত পৰিমানতহে মজুত থাকে । এনে ইন্ধন বেছিকৈ ব্যৱহাৰ কৰি থাকিলে নিঃশেষ হৈ যাব পাৰে । সেয়ে জীৱাশ্ম ইন্ধন চিৰদিনৰ বাবে একে পৰিমাণে নাথাকে ।

**প্ৰশ্ন ১৭: পৰম্পৰাগত শক্তি আৰু অপৰম্পৰাগত শক্তি সম্পদ বুলিলে কি বুজা ?**

**উত্তৰঃ** যিবাােৰ শক্তি সম্পদ অতীজৰে পৰা পৰম্পৰাগত ভাৱে ব্যৱহাৰ কৰি অহা হৈছে তাক পৰম্পৰাগত শক্তি সম্পদ বুলি কোৱা হয় । আনহাতে যিবাােৰ শক্তি সম্পদ পৰম্পৰাগতভাৱে ব্যৱহৃত হাােৱা নাই কিন্তু নতুন উৎসৰ পৰা আহৰণ কৰা হৈছে তেনে শক্তিক অপৰম্পৰাগত শক্তি সম্পদ বাােলে । যেনে জীৱশ্ম ইন্ধন হ'ল পৰম্পৰাগত শক্তি সম্পদ। আনহাতে সৌৰশক্তি , বতাহ শক্তি আদি অপৰম্পৰাগত শক্তিসম্পদ ।

**প্ৰশ্ন ১৮: শক্তিৰ বিকল্প হিচাপে অপৰম্পৰাগত শক্তি কিয় গুৰুত্বপূৰ্ণ ?**

**উত্তৰঃ** পৰম্পৰাগত শক্তি ভাণ্ডাৰ সীমিত । ই এটা সময়ত নিঃশেষ হৈ যাব । কিন্তু অপৰম্পৰাগত শক্তিৰ উৎস এতিয়াও ব্যাপক ।

দ্বিতীয়তে অপৰম্পৰাগত শক্তি সম্পদসমূহ বহু ক্ষেত্ৰত নবীকৰণযাােগ্য । এনেবাােৰ কাৰণতে শক্তিৰ বিকল্প হিচাপে অপৰম্পৰাগত শক্তি সম্পদসমূহ বহু ক্ষেত্ৰত নবীকৰণযাােগ্য । এনেবাােৰ কাৰণতে শক্তিৰ বিকল্প হিচাপে অপৰম্পৰাগত শক্তি অধিক গুৰুত্বপূৰ্ণ ।

**প্ৰশ্ন ১৯: শক্তি সম্পদ কিয় সংৰক্ষণ কৰিব লাগে ?**

**উত্তৰঃ** প্ৰথম কথা শক্তি সম্পদ আহৰণত খৰচ , সময় , শ্ৰম , প্ৰযুক্তি আদি কাৰকবাােৰ জড়িত হৈ থাকে । শক্তি সম্পদ অপচয় নকৰাকৈ ব্যৱহাৰ কৰিলেহে ভৱিষ্যতলৈ সম্পদ ৰাহি হ'ব । আনহাতে প্ৰয়াােজনতকৈ অধিক সম্পদ ভাােগ কৰিলে উৎপাদনে বেছিকৈ কৰিব লগা হয় । সেই অনুপাতে শক্তিৰ প্ৰয়াােজন বেছি হয় আৰু প্ৰদূষণৰ মাত্ৰা বেছি হয় । সেয়ে শক্তিৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী আৰু সংৰক্ষণৰ প্ৰতি সচেতন হাােৱা দৰকাৰ ।

**প্ৰশ্ন ২০: পাৰ্থক্য লিখা –**

**( ক ) নবীকৰণ যাোগ্য সম্পদ আৰু অনবীকৰণযাোগ্য সম্পদ ।**

**উত্তৰঃ** নবীণযাোগ্য সম্পদ পুনৰ ব্যৱহাৰ কৰিব পাৰি । কিন্তু অনৱীৰণযাোগ্য সম্পদৰ পুনৰ ব্যৱহাৰৰ সুবিধা নাথাকে। অনবীণযাোগ্য সম্পদতকৈ নবীকৰণযাোগ্য সম্পদ ব্যৱহাৰত প্ৰদূষণ কম হয় ।

**( খ ) পৰম্পৰাগত শক্তি সম্পদ আৰু অপৰম্পৰাগত শক্তি সম্পদ ।**

**উত্তৰঃ** পৰম্পৰাগত শক্তি সম্পদ হ'ল অতীজৰে পৰা পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা শক্তি সম্পদ । আনহাতে অপৰম্পৰাগত শক্তি সম্পদবাোৰ পৰম্পৰাগত ভাৱে ব্যৱহাৰ নকৰা অথচ নতুন নতুন উৎসৰ পৰা আহৰণ কৰা শক্তি সম্পদ । পৰম্পৰাগত শক্তি সম্পদ নবীকৰণযাোগ্য নহয় । কিন্তু অপৰম্পৰাগত শক্তি সম্পদ বহু ক্ষেত্ৰত নবীকৰণযাোগ্য ।

**প্ৰশ্ন ২১: চমুটোকা লিখাঃ**

**১। জীৱাশ্ম ইন্ধন ।**

**উত্তৰঃ** জীৱাশ্ম ইন্ধনবাোৰ হ'ল কয়লা , পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ। এনে ইন্ধনবাোৰ পৃথিৱীৰ অন্তভাগত সীমিত পৰিমাণেহে জমা থাকে ।

**২। সৌৰশক্তি ।**

**উত্তৰঃ** সৌৰশক্তি হ'ল এবিধ অক্ষয় সম্পদ । সূৰ্যৰ শক্তিক সৌৰ কোষত ধৰি ৰাখি বিদ্যুৎ শক্তি উৎপাদন কৰা হয় । সৌৰশক্তি ব্যৱহাৰৰ প্ৰধান সুবিধা হৈছে ই নবীকৰণযাোগ্য । ই প্ৰদূষণ সৃষ্টি নকৰে ।

**৩। পাৰমাণবিক শক্তি ।**

**উত্তৰঃ** পাৰমাণবিক শক্তি তেজস্ক্ৰিয় পদাৰ্থৰ অণু পৰমাণুত নিহিত হৈ থকা শক্তিৰ পৰা আহৰণ কৰা হয় । পৃথিৱীৰ মুঠ উৎপাদিত শক্তিৰ ১৭% পাৰমাণবিক শক্তিৰ পৰা আহৰণ কৰা হয় । উল্লেখযাোগ্য যে তেজস্ক্ৰিয় পদাৰ্থৰ পৰা বৃহৎ পৰিমাণৰ শক্তি উৎপাদন কৰিব পাৰি । পাৰমাণবিক শক্তি উৎপাদন কাৰ্য অধিক খৰচী ।

**৪। জোৱাৰ শক্তি ।**

**উত্তৰঃ** জোৱাৰ শক্তি হ'ল সাগৰ , মহাসাগৰত নিয়মিতভাৱে হৈ থকা জোৱাৰ ভাটাৰ পৰা আহৰণ কৰা শক্তি । সাধাৰণতে জোৱাৰ ভাটাৰ পৰা আহৰণ কৰা শক্তি । সাধাৰণতে জোৱাৰ ভাটাৰ পৰা বিদ্যুৎ শক্তি উৎপাদন কৰা হয়। ভাৰতৰ কচ্ছ উপসাগৰত এনেদৰে বিদ্যুৎ শক্তি উৎপন্ন কৰা হয় । জোৱাৰ শক্তি ব্যৱহাৰ কৰিলে প্ৰদূষণ নহয় । এনে শক্তি উৎপাদন কাৰ্য অধিক খৰচী ।

**৫। জৈৱ গেছ ।**

**উত্তৰঃ** এই গেছ এক বিশেষ প্ৰক্ৰিয়াৰে মৃত উদ্ভিদ আৰু মৃত জীৱ – জন্তুৰ অৱশিষ্টৰ পৰা প্ৰস্তুত কৰা হয় । এই গেছ এবিধ উৎকৃষ্ট ইন্ধন । জৈৱ গেছৰ পৰা প্ৰদূষণ হয় ।

**প্ৰশ্ন ২২: কোনাে এখন ঠাইত জনবসতি ঘন হােৱাৰ কাৰণ কি বুলি ভাবা ?**

**উত্তৰঃ** যিবােৰ ঠাইৰ জলবায়ু মানুহৰ বসবাসৰ উপযােগী আৰু মাটি কৃষিকাৰ্যৰ বাবে উপযােগী তেনে ঠাইত মানুহৰ বসতি সাধাৰণতে ঘন হয় । আনহাতে বাণিজ্যিক অঞ্চলতাে ঘন হ'ব পাৰে ।

**প্ৰশ্ন ২৩: বিভিন্ন ঠাইত পানীৰ সংকটে দেখা দিয়াৰ কাৰণ লিখা ।**

**উত্তৰঃ** বিভিন্ন ঠাইত পানীৰ সংকটে দেখা দিয়াৰ কাৰণ তলত আলোচনা কৰা হ'ল –

১। পৰ্যাপ্ত বৰষুণৰ অভাৱ ।

২। পানীৰ মাত্ৰাধিক ব্যৱহাৰ । আৰু

৩। ভূ – তল জলৰ স্তৰ বহু তললৈ নামি যােৱা ।

**প্ৰশ্ন ২৪: কি কি প্ৰক্ৰিয়াৰে পানী উৎসসমূহত জমা হয় ?**

**উত্তৰঃ** পানীৰ উৎসসমুহত জমা হােৱা পানী সাধাৰণতে বৰষুণৰ পৰা আহৰণ কৰা হয় । বৰফ গলিত পানী বিভিন্ন উৎসত জমা হয় । আনহাতে পাহাৰৰ জান – জুৰি আদিৰ পৰা পানী বৈ আহি নৈ , বিল আদিত পৰে ।

**প্ৰশ্ন ২৫: বনজ সম্পদক কি কি কাৰকে ক্ষতি কৰে ?**

**উত্তৰঃ** বনজ-সম্পদৰ সংকট নামি অহাৰ মূল কাৰণ হৈছে প্ৰাকৃতিক দুৰ্যোগ আৰু মানুহৰ বিভিন্ন বিবেচনাহীন কাৰ্যকলাপ । বিশেষকৈ ভূমিস্খলন , বানপানী , গৰাখহনীয়া , ছুনামি , বনজুই আদিয়ে বনাঞ্চল ধ্বংসত অৰিহণা যাে‌গায় । মানুহেও অৰণ্য ধ্বংস , বন্যপ্ৰাণীৰ চিকাৰ আদিৰ জৰিয়তে বনজ সম্পদ ধ্বংস কৰিছে ।

**প্ৰশ্নঃ বতাহ শক্তি কি ?**

**উত্তৰঃ** বতাহ এবিধ অক্ষয় শক্তি সম্পদ । বতাহ শক্তিৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পাৰি । ইয়াৰ উৎপাদন খৰচ কম আৰু ই প্ৰদূষণমুক্ত । অৱশ্যে বেছি বতাহ থকা অঞ্চলতহে বতাহ – শক্তি উৎপাদন কৰিব পাৰি।

**প্ৰশ্ন ২৬: সৌৰশক্তি ব্যৱহাৰৰ সুবিধা আৰু অসুবিধাবাে‌ৰ কি কি** ?

**উত্তৰঃ** সৌৰশক্তি ব্যৱহাৰৰ প্ৰধান সুবিধা হৈছে ই নৱীকৰণ যাে‌গ্য সম্পদ আৰু ই কোনাে‌ ধৰণৰ প্ৰদূষণ সৃষ্টি নকৰে । ইয়াৰ অসুবিধাবাে‌ৰ হ’ল — ই বৰ খৰচী আৰু সূৰ্যৰ তাপ ভালকৈ নপৰিলে ইয়াক বিদ্যুৎ শক্তি উৎপাদনৰ বাবে ব্যৱহাৰ কৰিব নাে‌ৱাৰি ।

**প্ৰশ্ন ২৭: পেট্ৰলিয়াম কি ? ইয়াক কিয় ‘ পনীয়া সাে‌ণ ’ বুলি কোৱা হয় ?**

**উত্তৰঃ** পেট্ৰলিয়াম হ’ল ভূ – ত্বকৰ শিলাস্তৰৰ মাজত জমা হৈ থকা এবিধ জুলীয়া জীৱাশ্ম ইন্ধন । পেট্ৰলিয়াম অতি মূল্যবান সম্পদ হাে‌ৱাৰ বাবে ইয়াক ‘ পনীয়া সাে‌ণ ’ বুলিও কয় ।

**প্ৰশ্ন ২৮: জোৱাৰ শক্তিৰ পৰা কেনেদৰে বিদ্যুৎ শক্তি উৎপাদন কৰিব পাৰি ?**

**উত্তৰঃ** সাগৰ , মহাসাগৰত নিয়মিতভাৱে হৈ থকা জোৱাৰ ভাটাৰ পৰা বিদ্যুৎ শক্তি উৎপাদন কৰা হয় । জোৱাৰৰ সময়ত উঠি অহা পানী বান্ধ দি আবদ্ধ কৰি ৰাখি সৰু বাটেৰে এৰি দি টাৰবাইনৰ সহায়ত বিদ্যুৎ উৎপাদন কৰা হয় ।

**প্ৰশ্ন ২৯: খালী ঠাই পূৰ কৰা –**

( ক ) মানুহৰ কামত অহা প্ৰকৃতিৰ আটাইবাে‌ৰ উপাদনকেই ___ সম্পদ বাে‌লে ।

**উত্তৰঃ** প্ৰাকৃতিক ।

( খ ) পৃথিৱীৰ উপৰিভাগৰ ___ হৈছে ভূমি।

**উত্তৰঃ** ২৯ শতাংশ ।

( গ ) নদীৰ ক্ৰিয়াৰ বাবে পাৰৰ মাটি খহি পৰাকে ___ বা◌েলে ।

**উত্তৰঃ** গৰাখহনীয়া ।

( ঘ ) পানী এবিধ ___ সম্পদ ।

**উত্তৰঃ** নবীকৰণযা◌েগ্য ।

( ঙ ) আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰিব পৰা পানীৰ পৰিমাণ মুঠ পানীৰ ___ ।

**উত্তৰঃ** এক শতাংশ ।

( চ ) চিৰসেউজীয়া ক্ৰান্তীয় অৰণ্যসমূহক ___ বুলিও কোৱা হয় ।

**উত্তৰঃ** বৰ্ষাৰণ্য ।

( ছ ) সৌৰকোষৰ জৰিয়তে ___ উৎপন্ন কৰা হয় ।

**উত্তৰঃ** বিদ্যুৎ শক্তি ।

**প্ৰশ্ন ৩০: আমি কি কি উপায়েৰে পানী সংৰক্ষণ কৰিব পাৰো ?**

**উত্তৰঃ** পানী সংৰক্ষণৰ বাবে ল'ব পৰা কেইটামান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল –

১। পানী প্ৰদূষণ ৰা◌েধ কৰা ।

২। বৃক্ষৰা◌েপণ কৰি ভু – জলৰ পৰিমাণ বৃদ্ধি কৰা।

৩। জলসিঞ্চনত পানীৰ অপচয় ৰা◌েধ কৰা ।

৪। পাহাৰীয়া অঞ্চলত বেদিকা কৃষিৰ জৰিয়তে পাহাৰৰ ঢালত পানী সংৰক্ষণৰ ব্যৱস্থা কৰা ।

৫। পানীৰ পুনৰ চক্ৰায়ন কৰা।

৬। পানীৰ ব্যৱহাৰ সম্পৰ্কে জন সচেতনতা বৃদ্ধি কৰা। আৰু

৭। পানী সংৰক্ষণ বিষয়ক আইন প্ৰণয়ন কৰা।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১: এবিধ জৈৱিক সম্পদৰ উদাহৰণ দিয়া।**

**উত্তৰঃ** উদ্ভিদ।

**প্ৰশ্ন ২: এবিধ অজৈৱিক সম্পদৰ উদাহৰণ দিয়া।**

**উত্তৰঃ** পানী।

**প্ৰশ্ন ৩: এবিধ নবীকৰণযাোগ্য সম্পদৰ উদাহৰণ দিয়া।**

**উত্তৰঃ** ৰূপ।

**প্ৰশ্ন ৪: এবিধ অনবীকৰণযাোগ্য সম্পদৰ উদাহৰণ দিয়া।**

**উত্তৰঃ** জীৱাশ্ম ইন্ধন।

**প্ৰশ্ন ৫: ভাৰতীয় মানুহে দৈনিক গড়ে কিমান পানী ব্যৱহাৰ কৰে ?**

**উত্তৰঃ** ২৫ লিটাৰ।

**প্ৰশ্ন ৬: পৃথিৱীৰ মুঠ মাটিকালিৰ ব্যয় কিমান শতাংশ বননিয়ে আগুৰি আছে ?**

**উত্তৰঃ** ২৭ শতাংশ।

**প্ৰশ্ন ৭: আমাৰ এখন বৰ্ষাৰণ্যৰ নাম লিখা।**

**উত্তৰঃ** দিহিং পাটকাই।

**প্ৰশ্ন ৮: পৃথিৱীৰ কেইখনমান প্ৰধান কয়লা উৎপাদনকাৰী দেশৰ নাম লিখা ।**

**উত্তৰঃ** চীন , আমেৰিকা যুক্তৰাষ্ট্ৰ , ৰাছিয়া , ভাৰতবৰ্ষ , জাৰ্মানী , ফ্ৰান্স , দক্ষিণ আফ্ৰিকা আদি।

**প্ৰশ্ন ৯: কেইবিধমান অপৰম্পৰাগত শক্তিৰ উদাহৰণ দিয়া ?**

**উত্তৰঃ** সৌৰশক্তি , বতাহ শক্তি , জোৱাৰ শক্তি , জৈৱ শক্তি , পৰমাণু শক্তি , ভূ – তাপীয় শক্তি আদি।

**প্ৰশ্ন ১০: পৃথিৱীৰ মুঠ উৎপাদিত শক্তিৰ কিমান শতাংশ পাৰমাণৱিক শক্তিৰ পৰা আহৰণ কৰা হয় ?**

**উত্তৰঃ** ১৭ শতাংশ ।

**প্ৰশ্ন ১১: ভূ – তাপীয় শক্তি বুলিলে কি বুজা ?**

**উত্তৰঃ** ভূ – পৃষ্ঠৰ অন্তৰ্ভাগৰ তাপৰ পৰা আহৰণ কৰা শক্তিক ভূ – তাপীয় শক্তি বাােলে ।